# পানী

## Chapter – 5

## অংকুৰণ

**☆ উত্তৰ দিয়া –**

**নৈ-বিল, জান-জুৰি, নলী নাদ আদিৰ উপৰি পানী আৰু ক'ত ক'ত থাকে ?**

**উত্তৰঃ** সাগৰ-মহাসাগৰ, নদ-নদী, পুখুৰী, বৰষুণ, ভূ-পৃষ্ঠৰ তলত পানী থাকে।

**☆ উত্তৰ দিয়া –**

**(ক) আমি পানী ক'ত ক'ত পাওঁ ?**

**উত্তৰঃ** পানী আমি নৈ-বিল, জান-জুৰি, নদ-নদী, নলী-নাদ আদিত পাওঁ।

**(খ) পানীৰ বিভিন্ন ৰূপ কেইটা কি কি ?**

**উত্তৰঃ** পানীৰ নিৰ্দ্দিষ্ট ৰূপ বা আকাৰ নাই। ইয়াক যি পাত্ৰত থোৱা হয় সেই পাত্ৰৰে ৰূপ বা আকাৰ লয়। অৰ্থাৎ প্ৰকাণ্ড পাত্ৰত থলে প্ৰকাণ্ড আকাৰ লয় আৰা ক্ষুদ্ৰ পাত্ৰত ৰূপ লয়। অতি ঠাণ্ডা পালে বৰফ আৰু তাপ দিলে বাষ্প ৰূপ লয়।

**(গ) পানী উতলিলে কেনে শব্দ হয় ?**

**উত্তৰঃ** পানী উতলিলে বক্ বক্ শব্দ হয়।

**(ঘ) পাহাৰৰ পৰা পানী বাগৰি আহিলে কেনে শব্দ হয় ?**

**উত্তৰঃ** পাহাৰৰ পৰা পানী বাগৰি আহি শিলৰ লগত কুলু কুলু শব্দ হয়।

**☆ 'মই য'তেই থাকো তাৰেই আকাৰ লওঁ। — পাঠটোত পানীয়ে কি কি আকাৰ লোৱাৰ কথা কৈছে ?**

**উত্তৰঃ** পানী যি পাত্ৰত থোৱা হয় সেই পাত্ৰতে আকাৰ লয়। প্ৰকাণ্ড পাত্ৰত থলে সেই প্ৰকাণ্ড আকাৰ আৰু ক্ষুদ্ৰ পাত্ৰত থলে আকাৰ লব পাৰে।

☆ **তলৰ শব্দবোৰৰ অৰ্থ দলত আলোচনা কৰি লিখা।**

| **শব্দ** | **অৰ্থ** |
|---|---|
| **আকাৰ** | |
| **সূক্ষ্ম** | |
| **ছিদ্ৰ** | |
| **অবিৰাম** | |
| **সুৰুঙা** | |
| **ধৰা** | |

**উত্তৰঃ**

| **শব্দ** | **অৰ্থ** |
|---|---|
| আকাৰ | আকৃতি, গঢ়, গঠন |
| সূক্ষ্ম | অতি ক্ষুদ্ৰ, নিচেই সৰু |
| ছিদ্ৰ | বিন্ধা, ৰন্ধ্ৰ, জগৰ, দায়, দোষ |
| অবিৰাম | বিৰামহীন, নেৰা-নেপেৰা |
| সুৰুঙা | জলঙা, বিন্ধা বা ফুটা |
| ধৰা | পৃথিৱী, ধৰণী |

☆ **উত্তৰ দিয়া –**

**(ক) পানী ভাপ হৈ ক লৈ যায় ?**

**উত্তৰঃ** পানী ভাপ হৈ আকাশলৈ যায়।

**(খ) পানী বৰষুণ হৈ ক'লৈ নামি আহে ?**

**উত্তৰঃ** পানী বৰষুণ হৈ ধৰা লৈ অৰ্থাৎ পৃথিৱীলৈ নামি আহে।

**খ-ভাষা অধ্যয়ন (ব্যৱহাৰিক ব্যাকৰণ)**

**☆ বাক্য ৰচনা কৰা।**

অবিৰাম ………………………………

জান-জুৰি ……………………………

কুলু-কুলু………………………………

সুৰুঙা ………………………………

ছিদ্ৰ …………………………………..

**উত্তৰঃ অবিৰাম :-** দ্বিজেনে অবিৰাম লিখা মেলা কৰি আছে।

**জান-জুৰি :-** বাৰিষা জান-জুৰি পানীৰে ভৰি পৰে।

**কুলু-কুলু :-** পাহাৰৰ পৰা পানীবোৰে কুলু-কুলু সুৰে বৈ আহিছে।

**সুৰুঙা :-** চোৰজন সৰু সুৰুঙাটোৰে ঘৰত প্ৰবেশ কৰিছিল।

**ছিদ্ৰ :-** শ্যামে মোৰ দোষৰ বাবে ছিদ্ৰ বিছাৰি আছে।

**☆ কাষৰ ডুলিৰ পৰা শব্দ আনি মিলাই লিখা।**



**(ক) দুৱাৰ/খিৰিকী বতাহত বন্ধ হ'লে**

**(খ) বতাহত বাঁহে বাঁহে ঘঁহনি খালে**

**(গ) বেল বাজিলে**

**(ঘ) পানী উতলিলে**

**(ঙ) জেঠীয়ে মাতিলে**

**উত্তৰঃ** (ক) দুৱাৰ/খিৰিকী বতাহত বন্ধ হ'লে – কেৰ্ কেৰ্

(খ) বতাহত বাঁহে বাঁহে ঘঁহনি খালে – মেৰ্ মেৰ্

(গ) বেল বাজিলে – টং টং

(ঘ) পানী উতলিলে – বক্ বক্

(ঙ) জেঠীয়ে মাতিলে – টিক্ টিক্

**গ-জ্ঞান সম্প্ৰসাৰণ**

**☆ পাঠটোত পানীয়ে নিজৰ বিষয়ে কৈছে। বেলিয়ে নিজৰ বিষয়ে ক'লে কেনেদৰে ক'ব লিখা।**

**উত্তৰঃ** মোক তোমালোকে দিনৰ আকাশত পোহৰ দি থকা দেখা পোৱা নহয়নে বাৰু ? মই নিছেই পুৱাতে কেনেকুৱা হৈ দেখা দিও কেতিয়াবা দেখা পাইথনে ? ৰাতিপুৱাই দোক মোকালিতে উঠিবাচোন তেতিয়া মোৰ ৰঙ কেনেকুৱা জানিবা আৰু দেখিবা। পোহৰ পৃথিৱী, য'তেই নহওক কিয় মোৰ পোহৰ পৰিবই।

মোৰ পোহৰত উদ্ভিদে গজালি মেলে। সাগৰ মহাসাগৰ, নদ-নদীৰ পানী ভাপ হৈ আকাশলৈ উৰি যায় আকৌ মেঘ হৈ বৰষুণ ৰূপে পৃথিৱীত পৰে। মই নহলে জীৱৰ যে কি অৱস্থা নহল হেতেন? খেতিয়কে পথাৰত শস্য উৎপাদন কৰিব নোৱাৰিলেহেতেন। মানুহে ধান, খৰি, খেৰ আদি শুকুৱাব নোৱাৰিলে হেতেন। মই নহালৈ দিনতে এন্ধাৰ দেখি। বৰষুণৰ বতৰত মই মেঘৰ আঁৰত লুকাই থাকো।

ৰাতিপুৱাৰ ভাগত মোৰ পোহৰ সকলোৱে সহ্য কৰিব পাৰে, কিন্তু দুপৰীয়া মোৰ প্ৰসৰ তাপৰ বাবে মানুহে গছৰ তলত আশ্ৰয় লয়। আবেলি মোৰ তাপ আকৌ কমি যায়। ঋতু অনুযায়ী মোৰ তাপ কম বেছিহয়। গ্ৰীষ্ম ঋতুত মোৰ তাপ বৰ প্ৰখৰ হয়।

মোক বহুতে বিভিন্ন নামেৰে মাতে। মোৰ নামবোৰ বাৰু তোমালোকে জানানে? মোৰ নামবোৰ কওঁ শুনা – সূৰ্য, দিনমান, ভাস্কৰ, ৰবি, ভানু। মই গোটেই বিশ্ব ব্ৰহ্মাণ্ডত থাকো। সেই মোৰ সকলোৱে চিনি পায়।

**☆ পান'ৰ লগত 'মেটেকা' শব্দ যোগ হৈ পানী-মেটেকা হ'ল। এই ধৰণে 'পানী শব্দৰ লগত যোগ হোৱা আন কেইটামান শব্দ জানো আহা—**

| | | |
|---|---|---|
| পানী-পিঠা | পানী-পৰুৱা | পানী-খাইতী |
| পানী-টেঙা | পানী-হিলৈ | পানী-শিঙৰি |
| পানী-ভাত | পানী-যুঁৱলি | পানী-পিপলী |
| পানী-মিঠৈ | পানী-কাউৰী | পানী-কেঁচুৱা |


**☆ ইয়াৰ বাহিৰে তোমালোকে নিজ নিজ ঠাইত ব্যৱহাৰ হোৱা এনেধৰণৰ শব্দবোৰ বিচাৰি লিখা।**

**উত্তৰঃ**

| | | |
|---|---|---|
| কপাল-খা | ককাল-পৰ | ঘৰ-পাত |

| | | |
|---|---|---|
| কপাল-ফুল | ককাল-ভাঙ | ঘৰ-ভাঙ |
| কপালৰ-দোষ | ককালৰ-জোৰ | ঘৰ-বাৰী-হ |

☆ **ছবিখন পৰ্যবেক্ষণ কৰা।**



☆ **ছবিখনৰ আধাৰত তলৰ বাক্যশাৰীৰ ভাব বহলাই লিখা। 'ভাপ হৈ আকাশলৈ উৰোঁ, বগুণ হৈ পুনৰ ধৰালৈ ঘূৰোঁ।'**

**উত্তৰঃ** সূৰ্যৰ তাপত পানী ভাপ হৈ আকাশলৈ উৰি যায়। তাত মেঘ হৈ পানীৰ কণিকাবোৰ জমা হৈ থাকে তেতিয়া তাপ-চাপ আদি ক্ৰিয়াৰ ফলত সেইবোৰ অৰ্থাৎ মেঘৰ কণিকাবোৰ বতাহত ওপঙি ফুৰে আৰু বৰষুণ ৰূপ ধাৰণ কৰি মৰ্ত্যবাসীত পুনৰ আশ্ৰয় লওঁ। এনেদৰে পানীয়ে এটাৰ পাছত আন এটা ৰূপ পৰিগ্ৰহণ কৰে।

☆ **কিছুমান বৃত্তি পানীৰ লগত জড়িত হৈ আছে। ছবি চাই সেইবোৰৰ নাম লিখা।**



**উত্তৰঃ** ১ ম ছবি → পানীত পল’, জাল, জুলুকীৰে মাছ ধৰিছে।

২ য় ছবি → পানীত থকা জীয়া মাছ বজাৰলৈ নিছে।

৩ য় ছবি → অত্যাধিক চেঁচা কৰি পানীক বৰফত পৰিণত কৰি বিক্ৰী কৰিবলৈ নিছে।

৪ ৰ্থ ছবি → গাখীৰ বিক্ৰী কৰিবলৈ নিছে।

৫ ম ছবি → নাৱেৰে মাটিৰ সাজ বিক্ৰীৰ বাবে নিছে।

৬ ষ্ঠ ছবি → নাৱেৰে নদী পাৰ হৈছে।

৭ ম ছবি → ভেনেৰে খোৱাপানী বিক্ৰীৰ বাবে নিছে।

৮ ম ছবি → বানপানীৰ সময়ত ভেলৰ সহায়ত মানুহে ওখ ঠাইলৈ যায়।

৯ ম ছবি → ধেমাৰে পানী বিক্ৰীৰ বাবে নিছে।

**☆ সাঁথৰ ভাঙা।**

**(ক) টুপ্ টুপ্ টুপলি**

**পানী পালে মুকলি।**

**উত্তৰঃ** চকু।

**(খ) ৰজাৰ কাপোৰ তিয়াব পাৰি**

**শুকুৱাব নোৱাৰি।**

**উত্তৰঃ** জিভা।

**☆ তলৰ খণ্ডবাক্যকেইটাৰ অৰ্থ শিক্ষকৰ পৰা জানি লোৱা। এতিয়া খণ্ডবাক্য কেইটাৰে বাক্য ৰচনা কৰা।**

পানীত পৰ্ পানী কৰ্ পানীৰ তলৰ কাঁইট

**উত্তৰঃ পানীতপ :-** (অসাৰ্থক) বাপেকৰ মৃত্যুৰ লগে লগে ধ্ৰুৱৰ সকলো কল্পনা পানীত পৰিল।

**পানী কৰ্ :-** মদ খোৱাৰ অভ্যাস কৰাৰ পাছতবীৰেনে তাৰ সকলো সম্পত্তিপানী কৰিলে৷

**পানীৰ তলৰ কাঁইট :-** সি পানীৰ তলৰ কাঁইটৰ দৰে কেতিয়া কোন ক'ত বিপদত পৰে তাৰ একো ঠিক নাই।

## ঘ-প্ৰকল্প

**☆ কি কি কামত পানীৰ প্ৰয়োজন হয় তাৰ এখন তালিকা কৰা।**

**উত্তৰঃ** ১। শস্য গজিবলৈ আৰু ফল দিবলৈ পানীৰ প্ৰয়োজন।

২। মানুহৰ দৈনন্দিন জীৱনত লাগতিয়াল কৰ্ম যেনে – ভাত ৰন্ধা, গা ধোৱা, কাপোৰ ধোৱা, শৌচ কৰা আদি কামৰ বাবে পানীৰ প্ৰয়োজন।

৩। গৰু ম'হৰ লগতে অন্যান্য জীৱ জন্তুকো জীয়াই থাকিবলৈ পানীৰ প্ৰয়োজন।

৪। যন্ত্ৰ-পাতি চলিবলৈ পানীৰ প্ৰয়োজন।